1324
4.8.60

# ৰাষ্ট্ৰবীৰৰ জীৱনী

প্ৰকাশন পৰিষদ

115

শিশু-সাহিত্য গ্ৰন্থমালা—১০

JAWAHARLAL NEHRU ... LIBRARY
BOKO
NOT TO BE ISSUED

# ৰাষ্ট্ৰবীৰৰ জীৱনী

Jawaharlal Nehru College Library
No. 1324
Date 5.8.70
Boko, Kamrup

ৰচক—
শ্ৰীভৱানন্দ ৰাজখোৱা, এম-এ।
শ্ৰীকমলেশ্বৰ চলিহা।

320.92
RAJ

অসম প্ৰকাশন পৰিষদ

Rashtravirar Jivani, life sketches of political leaders of different countries, published by Shri Biswanarayan Shastri, M.A., Secretary, Publication Board, Assam, first publication April 1963. Price Rs.—2·25 n.p.

প্ৰকাশক—
শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী
সচিব
অসম প্ৰকাশন পৰিষদ
গুৱাহাটী

প্ৰথম তাঙৰণ
১৯৬৩

মূল্য—২·২৫ নঃ পঃ

ছপাওঁতা—
ট্ৰিবিউন প্ৰেছ,
গুৱাহাটী

# ভূমিকা

গল্প সাহিত্যেৰে সৰু লৰা-ছোৱালীৰ মনোৰঞ্জন কৰা যেনে আৱশ্যকীয় তেওঁবিলাকৰ কোমল মন গঢ় দিবলৈ মহৎলোকৰ জীৱন বৃত্তান্তও তেওঁবিলাকৰ চকুৰ আগত দাঙি ধৰাটো তেনে আৱশ্যকীয়।

এই উদ্দেশ্যে প্ৰকাশন পৰিষদে কেইগৰাকীমান ৰাষ্ট্ৰ নায়কৰ নাম নিৰ্ব্বাচিত কৰি দুজন সাহিত্যিকৰ হতুৱাই এই পুথিখন লেখাই শিশু সাহিত্য স্বৰূপে প্ৰকাশ কৰি পৃথিৱী বিখ্যাত ৰাষ্ট্ৰ নায়ক কেইগৰাকীমানৰ চমু জীৱনী শিশুসকলৰ আগত দাঙি ধৰিলে। ইয়াত থকা দহোটা জীৱন কাহিনীৰ ভিতৰত ছটা অধ্যাপক শ্ৰীভৱানন্দ ৰাজখোৱাই আৰু বাকী চাৰিটা লেখিছে শ্ৰীকমলেশ্বৰ চলিহাই।

সৰু লৰা ছোৱালীৰ বাবে এই ৰচনা উপযুক্ত হৈছে নে নাই তাৰ বিচাৰৰ ভাৰ সহৃদয় ৰাইজৰ হাতত দি এই পুথিখন প্ৰকাশ কৰা হল। যিবিলাকৰ বাবে এই পুথিখন যুগুত কৰা হৈছে তেওঁবিলাকৰ উপযোগী হলেই আমাৰ পৰিশ্ৰম সাৰ্থক হৈছে বুলি ভাবিম।

গুৱাহাটী
১১।৪।৬৩

শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী,
সচিব
অসম প্ৰকাশন পৰিষদ

# সূচী


| বিষয় | | পৃষ্ঠা |
|---|---|---|
| ১। বাল গঙ্গাধর তিলক | ...... ...... | ১ |
| ২। সুভাষচন্দ্র বসু | ...... ...... | ১৫ |
| ৩। ডাঃ রাজেন্দ্র প্রসাদ | ...... ...... | ২৫ |
| ৪। কামাল পাশা | ...... ...... | ৩৯ |
| ৫। কার্ল মার্ক্স | ...... ...... | ৪৯ |
| ৬। লেনিন | ...... ...... | ৬১ |
| ৭। ছান্ ইয়াৎ ছেন্ | ...... ...... | ৭৫ |
| ৮। ডি ভেলেরা | ...... ...... | ৮৩ |
| ৯। আব্রাহাম লিঙ্কন | ...... ...... | ৯৩ |
| ১০। চার উইনষ্টন্ চার্চ্চিল | ...... ...... | ১০৯ |

# বাল গঙ্গাধৰ তিলক

গীতা হিন্দুধৰ্ম্মৰ এখন ঘাই পুথি। পৃথিৱীৰ বহুতো দেশৰ মানুহে এই পুথি পঢ়িছে। যি সকলে পঢ়িছে সেই-সকলৰ কোনো কোনোৱে এই গীতাৰ বিষয়ে নিজেও কিতাপ লেখিছে। আজি-কালি যি সকলে গীতাৰ বিষয়ে কিতাপ লেখিছে তেওঁবিলাকৰ ভিতৰত বাল গঙ্গাধৰ তিলকৰ সমান কোনো হব নোৱাৰে। এই কিতাপ খনৰ নাম 'গীতা ৰহস্য'। গীতাৰ বিষয়ে লেখা ইমান ডাঙৰ গ্ৰন্থ আজিলৈকে হোৱা নাই।

যিজনৰ ইমান জ্ঞান তেওঁ সকলোৰে পৰাই সেই জ্ঞানৰ চিনাকি দিছিল। অকল পাণ্ডিত্য প্ৰতিভাতে নহয়, তিলকৰ নিস্বাৰ্থ স্বদেশ-প্ৰেম আৰু আত্মত্যাগৰ অতুলনীয় আদৰ্শৰ বাবে ভাৰত-মাতৃয়ে ধন্য মানিছে। তেওঁৰ সৰ্ব্বতোমুখী প্ৰতিভাই আজিও ভাৰতবাসীৰ অন্তৰত আলোড়ন তোলে। এইজন লোকমান্য তিলকৰ জীৱনী পঢ়িবলৈ পালে নিশ্চয় ভাল লাগিব, নহয় নে বাৰু?

দক্ষিণ ভাৰতৰ বোম্বাই প্ৰদেশত ৰত্নগিৰি নামে এখন ঠাই আছে। এই ৰত্নগিৰিয়েই তিলকৰ জন্মস্থান। তিনি গৰাকী বায়েক জন্ম হোৱাৰ পিচত ১৮৫৬ চনৰ ২৩ জুলাইত তিলকৰ জন্ম হয়। তেওঁৰ দেউতাকৰ নাম আছিল গঙ্গাধৰ পন্থ। 'চিৎপাৱন ব্ৰাহ্মণৰ ঘৰ' বুলি এওঁলোক জনাজাত আছিল।

তিলকৰ ককাদেউতাক ৰামচন্দ্ৰ সন্ন্যাসী হৈছিল। সেই-দেখি তেওঁৰ দেউতাক গঙ্গাধৰ পন্থ পৰিয়ালৰ পোহপাল দিবৰ বাবে চাকৰিত সোমায়। পোনতে তেওঁ স্থানীয় স্কুল এখনত শিক্ষকতা কৰিলে। সেই সময়ত শিক্ষকৰ দৰমহা বৰ কম আছিল। তিলকৰ পিতাকেও শিক্ষকৰ কাম কৰি মাহে মাথোন

পাঁচ টকাকৈ পাইছিল। তেওঁ গণিত আৰু সংস্কৃতত ব্যুৎপত্তি লাভ কৰিছিল। তেওঁ কিতাপো লেখিছিল কেবাখনো। কঠোৰ পৰিশ্ৰম আৰু অধ্যৱসায়ৰ ফলত তেওঁ পুণাৰ স্কুল পৰিদৰ্শকৰ পদ লাভ কৰিছিল।

গঙ্গাধৰ পন্থই তেওঁৰ ল'ৰাৰ নাম ৰাখিছিল কেশৱ; কিন্তু আজোককাকৰ নামৰ সৈতে একে দেখি কেশৱ গুচাই বলৱন্ত ৰাখিলে। বলৱন্ত নামটো টান দেখি তেওঁক অকল 'বাল' বুলিয়েই পৰিয়ালৰ সকলোৱে মাতিবলৈ ধৰিলে।

সৰুৰেপৰা তিলকৰ স্মৃতিশক্তি বৰ প্ৰখৰ আছিল। দীঘল দীঘল সংস্কৃত কবিতা তেওঁ সৰসৰকৈ মাতিব পাৰে। এই বিষয়ত দেউতাকেও তেওঁক উৎসাহ দিছিল। তদুপৰি দেউতাকৰ বন্ধু ডাঃ ভাণ্ডাৰকাৰেও তেওঁক প্ৰশংসা কৰি উৎসাহ দিছিল। এই উৎসাহ আৰু উদগণিয়ে তেওঁৰ পিচৰ জীৱনত সম্পূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰিলে।

দহ বছৰ বয়সত তিলকক পুণাৰ ইংৰাজী স্কুলত নাম লগাই দিয়া হ'ল। কিন্তু তিলকক জানো মাষ্টৰে শিকাব লাগে? মাষ্টৰে কয়, তিলক অঙ্ক কৰা। তিলকে বহীত আঁক এটা নমৰাকৈয়ে উত্তৰটো উলিয়াই দি মনে মনে বহি থাকে। মাষ্টৰে কয়, মনে মনে বহি আছা কিয়? তিলকে কয়—মহাশয়, অঙ্কৰ উত্তৰ এইটো, মই মুখতে কৰিলোঁ। অঙ্ক কৰাৰ ধাউতি তিলকে তেওঁৰ দেউতাকৰপৰা পাইছিল। সহজ অঙ্ক দিলে তিলকে মুঠেই নকৰে। বাছি বাছি টান অঙ্ক কেইটা কৰি বহি থাকে। শিক্ষকে সুধিলে কয়—মই যেতিয়া টান অঙ্ক কৰিব পাৰোঁ, সহজ অঙ্কবোৰ কৰি মিছাতে সময় খৰচ কৰোঁ কিয়? শিক্ষকে তিলকক অদ্ভুত ছাত্ৰ যেন পালে আৰু তিলকক পঢ়াবলৈ কোঁচ খালে। এনেকুৱা অৱস্থাত দেউতাকে তেওঁক আইন এখন স্কুলত নাম লগাই দিলেগৈ। হানা হাইস্কুলতো তেওঁক সংস্কৃত শিক্ষকে বলে নোৱাৰিলে। তিলকৰ চোকা স্মৰণ শক্তিৰ আগত শিক্ষকে থতমত খাইছিল। সেইদেখি তেওঁক নপঢ়াব পাৰিলেই ভাল বুলি ভাবিছিল।

১৮৭১ চনত স্কুলত পঢ়ি থকা অৱস্থাতে তিলকৰ পিতৃ-

বিয়োগ ঘটে। তেতিয়া তেওঁৰ বয়স ষোল বছৰ মাথোন। দেউতাক ঢুকুৱাৰ পাচত তিলকক বহুত আলৈ-আহুকালে মেৰাই ধৰিলে। সেই বুলি তেওঁৰ পঢ়া-শুনাত একো ব্যাঘাত নহল। খোমায়েক এজনে তেওঁৰ তত্ত্বাৱধান ললে।

দেউতাক ঢুকুৱাৰ কেইমাহ মানৰ আগতে তিলকৰ বিয়া হৈছিল। তেওঁৰ পত্নী উচচ বংশৰ ঘৰৰ জীয়াৰী। তেওঁলোক ধনী নাছিল; কিন্তু সমাজত তেওঁলোকৰ মান সম্ভ্ৰম যথেষ্ট আছিল।

১৮৭২ চনত তিলকে প্ৰৱেশিকা পৰীক্ষা পাছ কৰিলে। পৰীক্ষাত উত্তীৰ্ণ হৈ এবছৰৰ পিচত অৰ্থাৎ ১৮৭৩ চনত তেওঁ পুণাৰ ডেক্কান কলেজত নাম লগায়। কলেজতো স্কুলত পঢ়াৰ দৰে স্বাধীনচিতীয়া আছিল। তেওঁ অকল পাঠ্য কিতাপতে আৱদ্ধ নাছিল। তেওঁ শাৰীৰিক শক্তি বঢ়াবৰ কাৰণে নৈত সাঁতুৰিও কাল কটাইছিল। মুকলিত খেল-ধেমালি কৰাটো তেওঁ বৰ পছন্দ কৰে। মুঠৰ ওপৰত তেওঁৰ মনৰ বল সুদৃঢ় আছিল। ডেকা কালতেই তেওঁ নিজৰ শৰীৰ আৰু মন সুগঠিত কৰি লৈছিল।

কলেজত পঢ়োঁতে তিলকে সংস্কৃত চৰ্চাৰ প্ৰতি বিশেষ ভাৱে মনোনিবেশ কৰিলে আৰু অলপ সময়ৰ ভিতৰতে সকলোৰে মাজত জনাজাত হৈ পৰিল।

চাৰি বছৰৰ পাচত পুণাৰ এই ডেক্কান কলেজৰ পৰাই তেওঁ সসন্মানে বি-এ পাছ কৰে। অনাৰ্চ লৈ প্ৰথম শ্ৰেণী লাভ কৰিলে তেওঁ। পাচত এম-এ পঢ়িবলৈ বোম্বাই চহৰলৈ আহে। ইয়াত তেওঁ আইনো পঢ়িবলৈ লয়।

আইন পঢ়া অৱস্থাতো তিলকে সংস্কৃত চৰ্চা কৰিবলৈ এৰা নাছিল। যাৰ মন সৰুৰেপৰা সংস্কৃত শিক্ষাৰ পিনে ঢাল লৈছিল, তেওঁ আন ফাললৈ যায় কেনেকৈ? নিচেই সৰু কালৰেপৰা তিলকে ভগৱৎ-গীতা পঢ়িছে। তদুপৰি দীঘল দীঘল সংস্কৃত শ্লোকবোৰ তেওঁৰ কণ্ঠস্থ। তেনে স্থলত সংস্কৃত শাস্ত্ৰ আৰু হিন্দু ধৰ্ম্মৰ প্ৰতি আকৰ্ষণ নহৈ নোৱাৰে। সেইদেখি তেওঁ আইন পঢ়িবলৈ আগবাঢ়ি আহিলেও কেৱল হিন্দু আইনকে

পঢ়িবৰ মন কৰিলে। তেওঁ দেখিলে হিন্দু ধৰ্ম্ম যুগে যুগে পৰিশুদ্ধ হৈ আহিছে। শাস্ত্ৰৰ বচনবিলাক মানুহে ভালকৈ নুবুজাৰ কাৰণে সমাজত বহুতো দোষ সোমাই থাকে। সৰুতে ল'ৰা-ছোৱালী বিয়া দিয়াটোও তেনেকুৱা এটা দোষ। এই দোষ গুচাবৰ বাবে শাস্ত্ৰত সন্মতি আছে। ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰে এই শাস্ত্ৰ পঢ়িয়েই এই দোষ গুচাবলৈ চেষ্টা কৰিছিল।

তিলকে আইন পঢ়ি এল, এল বি হোৱাৰ পিচত দেশৰ কামত লাগো বুলি ভাবিলে। আগাৰকাৰ নামেৰে এজন বন্ধুৰ সৈতে গোট খাই এখন স্কুল খুলিবলৈ তেওঁ ইচ্ছা কৰিলে। এই স্কুলখন হব নতুন ধৰণৰ। তিলকে বুজিছিল যে সৰুকালিৰ শিক্ষাই মানুহৰ জীৱনক গঢ় দিয়ে। সৰু সৰু ল'ৰা-ছোৱালী-বোৰে যদি সজ শিক্ষা পায় তেনে সময়ত সমাজখনৰ অপোনা-আপুনি সংস্কাৰ হব। এই কামত একাণপতীয়াকৈ লাগিবলৈ দুয়ো বন্ধুৱে চৰকাৰী চাকৰি নকৰোঁ বুলি মনতে সঙ্কল্প কৰিলে। তেওঁলোকে ভাবিলে—নিস্বাৰ্থভাৱে গোটেই জীৱন এই কামতে অৰ্পি দিব।

বিষ্ণুশাস্ত্ৰী চিপ্লাংকাৰ সেই সময়ত দেশৰ কাৰণে চিন্তা কৰোঁতাসকলৰ ভিতৰত আগৰণুৱা আছিল। তিলকৰ এই উদ্দেশ্যত তেৰোঁ যোগ দিলে। আগাৰকাৰ আগৰেপৰাই আছিল। এতিয়া এই তিনিজনে মিলি পুণা চহৰত 'নিউ ইংলিছ স্কুল' বা নতুন ইংৰাজী স্কুলখনৰ প্ৰাণ প্ৰতিষ্ঠা কৰে। স্কুলখন মুকলি কৰে ১৮৮০ চনৰ ১ জানুৱাৰীৰ দিনা। তিলক নিজেই শিক্ষক হ'ল। তেওঁৰ ওপৰতে টান কামবোৰৰ ভাৰ পৰিল। পাঁচ বছৰৰ ভিতৰত স্কুলৰ ছাত্ৰৰ সংখ্যা এহেজাৰ হ'লগৈ। তদুপৰি বোম্বাই বিশ্ববিদ্যালয়ৰ সংস্কৃতৰ বৃত্তি পৰীক্ষাত নিউ ইংলিছ স্কুলৰ ছাত্ৰই সুনাম অৰ্জ্জন কৰিলে।

স্কুল আৰম্ভ হোৱাৰ দুবছৰৰ মূৰতে নিস্বাৰ্থ কৰ্ম্মী চিপ্লাংকাৰ ঢুকাল। তিলকে এজন ডাঙৰ বন্ধু আৰু সহকৰ্ম্মী হেৰুৱালে।

চিপ্লাংকাৰে আধা কৰা কাম এটা তিলকলৈ এৰি থৈ গ'ল। স্কুল স্থাপন কৰাৰ এবছৰৰ পাচতে তেওঁ এজন বন্ধুৰে সৈতে দুখন বাতৰি-কাকত উলিয়াইছিল। এখন মাৰাঠী, আনখন

ইংৰাজী। তেওঁলোকে তিলকৰ সহায় ললে। সেই সময়ত ছপা কৰাটোৱেই একমাত্ৰ সমস্যা আছিল। তিলকে তেওঁলোকৰ নিজাকৈ প্ৰেছ এটা খোলাৰ ব্যৱস্থা কৰিলে। দুয়োৰে কামত বৰ উৎসাহ। প্ৰথম প্ৰেছ আৰম্ভ কৰোঁতে তিলকে যন্ত্ৰপাতি নিজৰ কান্ধত তুলি লৈ গৈছিল। প্ৰেছটোৰ নাম হ'ল 'আৰ্য্যভূষণ প্ৰেছ'।

মাৰাঠী কাকতখনৰ নাম দিলে 'কেশৰী' আৰু ইংৰাজীখনৰ 'মহাৰাষ্ট্ৰা'। অলপ দিনৰ ভিতৰতে এই কাকত দুখন বিখ্যাত হৈ পৰিল।

'কেশৰী'ত বুৰঞ্জীৰ বিষয়ে লেখিলে আগাৰকাৰে।

সাহিত্যৰ বিষয়ে লেখিছিল চিপ্লাংকাৰে।

তিলকে লেখিবলৈ ললে ধৰ্ম্ম, ৰাষ্ট্ৰ আৰু ভাৰতৰ আইন কানুনৰ বিষয়ে।

দেশৰ কামত তিলকে নিজক উছৰ্গা কৰি দিবৰ মন কৰিলে। তেওঁৰ লগৰীয়া দুজনৰ ভিতৰত এতিয়া এজন মাথোন আছে আগাৰকাৰ। নামযোশী নামেৰে আৰু এজন মানুহে 'কেশৰী'ৰ কামত সহায় কৰিবলৈ ধৰিলে।

যতে কিবা অন্যায় ঘটা দেখে 'কেশৰী'য়ে তাতে লেখনী চলায়। গোপন সত্যক প্ৰকাশ কৰিবলৈ তেওঁলোকে ভয় নকৰিছিল। 'কেশৰী'ৰ প্ৰতাপত অন্যায় কৰোঁতাবিলাক চিন্তিত হৈ উঠিল। তেওঁলোকে বৰোদা আৰু কোলহাপুৰ প্ৰদেশত অন্যায় দেখি 'কেশৰী'ত কিছুমান প্ৰবন্ধ প্ৰকাশ কৰিলে। তিলকে 'কেশৰী'ত লেখিলে যে ৰাজ্য দুখনৰ বিষয়াসকলে দুখীয়া দৰিদ্ৰৰ কথা মুঠেই নেভাবি নিজক ধনী কৰিবলৈহে বিচাৰে। এজন মন্ত্ৰীক এই বিষয়ে দোষাৰোপ কৰি 'কেশৰী'ত লেখিলে। মন্ত্ৰীজনে অপমান পাই তিলকৰ বিৰুদ্ধে মানহানিৰ মকৰ্দ্দমা কৰিলে। এই মন্ত্ৰীজনৰ কিছুমান গোপন চিঠি প্ৰকাশ হৈছিল। সেইবোৰত মন্ত্ৰীজনৰ কূট প্ৰবৃত্তি ফুটি উঠিছিল। আদালতত মন্ত্ৰীজনে চিঠিবোৰ তেওঁৰ নহয় বুলি কলে। তিলক আৰু আগাৰকাৰে এই অভিযোগৰ সত্যতা প্ৰমাণ কৰিব নোৱাৰিলে। মন্ত্ৰীজনে কিন্তু নেৰিলে। বিচাৰত তিলক আৰু আগাৰ-

কাৰৰ চাৰিমাহ সশ্ৰম কাৰাদণ্ডৰ আদেশ হয়। এই কাৰাবাসৰ ফলত তেওঁবিলাক লোকপ্ৰিয় হৈ উঠিল আৰু তেওঁবিলাকৰ কামো জনসাধাৰণে উপলব্ধি কৰিলে।

এইদৰে দেশ সেৱাৰ প্ৰথম পুৰস্কাৰ তেওঁবিলাকে পালে—প্ৰথমবাৰৰ কাৰণে কাৰাবৰণ কৰি। তিলকৰ ভাগ্যত আৰু পুৰস্কাৰ আছে। তিনিকুৰি বছৰতকৈয়ো অধিক জীৱন কালত তেওঁৰ কাৰণে কাৰাগাৰৰ দুৱাৰ কেবাবাৰো মেল খাইছিল।

ফাটেকৰপৰা ওলাই আহি তিলক নতুনকৈ দেশ সেৱাৰ কাৰণে সাজু হ'ল। নতুন সমাজ এখন গঠন কৰিবৰ মনেৰে ১৮৮৪ চনত তেওঁ 'দাক্ষিণাত্য শিক্ষা সমাজ'নামেৰে এখন অনুষ্ঠান স্থাপন কৰিলে। এই সমাজৰ প্ৰথম উদ্দেশ্য হ'ল নিউ ইংলিছ স্কুলখন কলেজলৈ পৰিণত কৰা। ঠিক এনে সময়তে গোখেল আদি কৰি অক্লান্ত কৰ্ম্মীসকলে তিলকৰ লগত যোগ দিয়েহি। বোম্বাই চৰকাৰে কলেজৰ কাৰণে ভূমিও দান কৰিলে। তিলকক মুখ্য কৰি সাতজন বিশিষ্ট যুৱকৰ চেষ্টাৰ ফলত ১৮৮৫ চনত নিউ ইংলিছ স্কুল ফাৰ্গুচন কলেজত পৰিণত হয়। কলেজৰ আধাৰশিলা স্থাপন কৰিলে বোম্বাইৰ ৰাজ্যপাল চাৰ জেমচ্ ফাৰ্গু-চনে। তেওঁৰ নামতে কলেজটোৰ নামাকৰণ হ'ল— 'ফাৰ্গুচন কলেজ।'

নিউ ইংলিছ স্কুলৰ নিচিনা কুমলীয়া অনুষ্ঠান এটাক কম সময়ৰ ভিতৰতে ডাঙৰ অনুষ্ঠান এটালৈ ৰূপান্তৰিত কৰি এই নৱীন যুৱক কেইজনে কঠোৰ কৰ্ত্তব্য-নিষ্ঠাৰ পৰিচয় দিলে। নিউ ইংলিছ স্কুলত প্ৰথমে তীক্ষ্ণ বুদ্ধিৰ ল'ৰাই নাম লগোৱা নাছিল। অভিভাৱকসকলেও এই স্কুলখনক ভাল চকুৰে চোৱা নাছিল। বদমাচ আৰু খটাসুৰ ছাত্ৰহে আছিল এই স্কুলখনত। তিলক আৰু আগাৰকাৰে এই ছাত্ৰবিলাকক নতুন গঢ় দিলে। ফলত দুষ্ট ছাত্ৰয়ো পৰীক্ষাত সুনাম অৰ্জ্জন কৰি উন্নতিৰ বাটলৈ দোপত দোপে আগবাঢ়ি গ'ল। এই নিউ ইংলিছ স্কুলেই বিখ্যাত ফাৰ্গুচন কলেজলৈ পৰিণত হ'ল। তিলকে তাত অধ্যাপনা কৰিবলৈ ললে—তেওঁৰ প্ৰিয় বিষয় অঙ্ক আৰু সংস্কৃত।

আগেয়ে কোৱা হৈছে যে সমাজ সংস্কাৰৰ কামত আগাৰকাৰ

ধীৰ বাটৰ বাটৰুৱা নাছিল। তেওঁ মানুহক একেদিনাই কাকিনী তামোলৰ আগত তুলিব খোজে। তিলকে ভাবে সংস্কাৰ যদি কৰিবই লাগে তেনে তাক লাহে লাহেহে মন সলনি কৰি কৰিব লাগিব। কিয়নো তেতিয়া ফল স্থায়ী হয়। এই বিষয় লৈ তিলক আৰু আগাৰকাৰৰ মতভেদ হয়। আগাৰকাৰ 'কেশৰী' কাগজৰপৰা ওলাই আহি 'শুধাৰক' নামেৰে এখন বেলেগ কাগজ উলিয়ালে। তিলকৰ কোনো নিবেদন আগাৰকাৰে নশুনিলে।

আগাৰকাৰ যোৱাৰ পিচত ডেক্কান এডুকেশ্যন ছচাইটীখন ভাগি যাওঁ ভাগি যাওঁ হ'ল। তিলকো শেষত এই ছচাইটীৰ পৰা ওলাই আহিল। ১৮৯০ চনত তেওঁ ছচাইটীৰ সভ্যপদ ত্যাগ কৰিলে।

এতিয়া একমাত্ৰ 'কেশৰী' কাকতৰ বাহিৰে তিলকৰ আৰু একো নেথাকিল। এই কাগজখন হাতত লৈয়েই তেওঁ দেশৰ সেৱা কৰিবলৈ আগবাঢ়ি গ'ল।

অকল কেশৰীৰ সম্পাদক হৈয়েই তিলকে গোটেই জীৱনটো কটাই দিব পাৰিলেহেঁতেন। অন্যায়ৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলৈ এখন কাকতেই যথেষ্ট। কিন্তু তেওঁ তাতে সন্তুষ্ট নহ'ল। দেশক তেওঁ চাৰিও ফালৰপৰা সেৱা কৰিব খুজিলে। দাক্ষিণাত্য শিক্ষা সমাজৰ পদত্যাগৰ ফলত তেওঁ এতিয়া ৰাজহুৱা কাম কৰিবলৈ আগতকৈ বেছিহে সময় পোৱা হ'ল।

তেওঁ সংস্কৃতত অগাধ পণ্ডিত আছিল। এইবাৰ কিতাপ লেখিবৰ সুযোগ পালে তেওঁ। ১৮৯৩ চনত তেওঁৰ 'অৰিয়ন' নামৰ পুথি এখন প্ৰকাশ পায়। এইখন কিতাপত তেওঁ বেদ-বেদান্তৰ আলোচনা কৰিছে। মৌলিক গৱেষণাৰ আভাস থকা এই কিতাপখনে পণ্ডিতসকলৰ উচ্চ প্ৰশংসা লাভ কৰে।

এনে সময়তে ক্ৰফৰ্ড নামৰ ইংৰাজ টেক্স কলেক্টৰ এজনে বৰ মইমতালি দেখুৱাইছিল। কিন্তু কোনেও তেওঁৰ বিপক্ষে কথা কবলৈ সাহ নকৰে। সেইদেখি তিলকে কেশৰীত চোকা ভাষাৰে সমালোচনা কৰিলে। ক্ৰফৰ্ডৰ বিচাৰ হ'ল; কিন্তু বিচাৰত তেওঁৰ বিপক্ষে কবলৈ ভয়তে কোনো নাহিল। কেশ-

ৰীয়ে বাৰে বাৰে নিৰ্ভয়েৰে সঁচা কথা কবলৈ কলে। কিন্তু তেতিয়াও কোনো আগবাঢ়ি নাহিল। ক্ৰফৰ্ড সাৰি গ'ল। অৱশ্যে এই নিৰ্ভীক কাম কৰি তিলকে দুখীয়া মানুহৰ হৃদয়ত আসন লাভ কৰিলে।

ৰাজহুৱা সভাত তিলকক শলাগ জনোৱা হ'ল। সমাজ আৰু নিপীড়িতৰ যথাৰ্থ বন্ধু তিলক জনাজাত হৈ পৰিল।

তিলকে নিজৰ পৰিয়ালৰ ভৰণ-পোষণৰ অৰ্থে কপাহৰ কাৰখানা এটা খুলিলে। লগতে খুলিলে আইন পঢ়াবৰ বাবে শ্ৰেণী এটা। প্ৰথমটো নিটিকিল। আইন শিক্ষাৰ শ্ৰেণীয়ে তেওঁক সহায় কৰিলে। পৰিয়াল পোহপাল দিব পৰা ক্ষমতা এই শ্ৰেণীটোৱে দিলে তিলকক। কিন্তু হলে কি হব? তেওঁৰ ধাৰ লাগিল। কেশৰী আৰু মাৰাঠী কাকতৰ বাবেই তেওঁ সাত হেজাৰমান টকাৰ ধৰুৱা হৈ পৰিল।

হিন্দু ছোৱালীৰ বিয়া-বাৰুৰ সম্বন্ধে এখন বিল ওলাইছিল। এই বিল মতে বিয়াৰ সময়ত কইনাৰ বয়স দহৰ ঠাইত বাৰ বছৰ কৰা হ'ল। তিলকে কিন্তু এই বিষয়ত কঢ়তা দেখুৱাই হিন্দু পৰিয়ালৰ ওপৰত হেঁচা দিয়া নাছিল। তেওঁ বুজিছিল যে লাহে লাহে মানুহে নিজৰ ভুল উপলব্ধি কৰিব পাৰিব। আনক উদাহৰণ দেখুৱাবলৈ তেওঁ নিজৰ জীয়েকক পোন্ধৰ বছৰ বয়স হোৱাৰ পাচতহে বিয়া দিছিল।

আগাৰকাৰৰ দৰে বহুতো সমাজ সংস্কাৰকৰ লগত তিলকৰ মত মিলা নাছিল। সাৰদা সদন খুলি পণ্ডিতা ৰমাবায়ে শিক্ষিতা ছোৱালীবোৰক খৃষ্টিয়ান কৰিছিল। হিন্দু ধৰ্ম্মৰ দুৰ্ব্বলতাৰ বাবেই তেওঁলোকে হিন্দুধৰ্ম্ম আৰু সমাজত আশ্ৰয় লভিবলৈ বাঞ্ছা কৰা নাছিল। পাপক ঘিণ কৰিলেও পাপীক ঘিণ কৰিব নেলাগে। কিন্তু হিন্দু-ধৰ্ম্মত পাপীক পতিত জ্ঞান কৰি সমাজৰ পৰা উলিয়াই দিয়া হয়। পাপীৰ পৰিত্ৰাণ বা উদ্ধাৰৰ একো উপায় নেথাকে। কিন্তু খৃষ্টান ধৰ্ম্মৰ লক্ষণ তেনে নহয়। ডাঃ ভাণ্ডাৰকাৰ আৰু জাষ্টিছ ৰানাডে পণ্ডিতা ৰমাবাইৰ সমৰ্থক আছিল। সাৰদা সদনক অৱশ্যে তিলকে বেয়া পোৱা নাছিল। নাৰীক শিক্ষা দিয়াটো তেওঁ পছন্দ কৰে; কিন্তু ছোৱালীবোৰ

খৃষ্টান হৈ যোৱা তেওঁ ভাল পোৱা নাছিল। সেই দেখি হিন্দু-ধৰ্ম্মক তেওঁ পতিতৰ আশ্ৰয় স্থল কৰিবলৈ মানুহক বুজাইছিল ।

তিলকে মহাৰাষ্ট্ৰীয় বুৰঞ্জী অতি সুন্দৰৰূপে জানিছিল। ১৮৮৩ চনত তেওঁ মহাৰাষ্ট্ৰৰ পিতা শিৱাজীৰ নামত এটা ডাঙৰ উৎসৱ পাতি বীৰপূজা কৰিবলৈ শিকালে। গ্ৰীক জাতিৰ দৰে মাৰাঠা জাতিয়ো সাহ-পিত, বল-বীৰ্য্যত যেন ওখ ঠাই অধিকাৰ কৰিব পাৰে, এয়ে তেওঁৰ কামনা আছিল। শিৱাজী-উৎসৱ গোটেই ভাৰততে বিয়পি পৰক, এয়ে তেওঁৰ মনৰ ইচ্ছা। তেওঁৰ মনৰ কামনা পূৰ্ণ কৰাত চৰকাৰেও সহযোগ কৰিলে। শিৱাজীৰ সমাধিত এটা মণ্ডপ স্থাপন কৰি দিলে চৰকাৰে। এই মণ্ডপ শিৱাজীৰ সমাধি-স্থান ৰায়গড়ত এতিয়াও আছে। চৰকাৰৰ সহযোগত এই মহৎ বীৰ পুৰুষজনৰ কীৰ্ত্তি কাহিনী গোটেই দেশতে বিয়পি পৰিল। এইটো স্বীকাৰ কৰিব লাগিব যে এই কামটো অকল তিলকৰ চেষ্টাতেই সম্ভৱ হৈছিল। মাৰাঠা জাতি তিলকৰ গুৰিত এই বাবেই বিশেষভাৱে ধৰুৱা হৈ থাকিব।

ভাৰতৰ জাতীয় মহাসভা কংগ্ৰেছতো তিলকে নিজৰ ঠাই উলিয়াই লৈছিল। বোম্বাই বিশ্ববিদ্যালয়ৰ হকেও তেওঁ বহুতো কাম কৰিছিল। ১৮৯৫ চনত তেওঁ বোম্বাই ব্যৱস্থাপক সভাৰ সদস্য হয়। দুখীয়াৰ দুখ মোচনৰ বাবেহে কৰ কাটলত উঠা ধন খৰচ কৰিবলৈ তেওঁ সেই সভাত বক্তৃতা দিছিল। যদিও ব্যৱসায়ৰপৰা দেশৰ যথেষ্ট আয় হয়, তথাপি তেওঁ মদ নিবাৰণৰ ঘোৰ পক্ষপাতী আছিল।

এনে সময়ত ভাৰতৰ জাতীয় মহাসভা কংগ্ৰেছ দুভাগত বিভক্ত হৈছিল—এভাগৰ নায়ক আছিল গোপাল কৃষ্ণ গোখেল। গোখেলৰ লগত তিলকৰ বহুত কথাত অমিল হোৱাত তেওঁ বিৰক্ত হৈ কংগ্ৰেছ এৰি ওলাই আহিল। তথাপি তেওঁ কংগ্ৰেছৰ মূলনীতি সদায় ভাল পাইছিল। কংগ্ৰেছ এৰি আহিও তেওঁ জাতিৰ সেৱাত মনোযোগ দিলে।

১৮৯৬-৯৭ চনত মহাৰাষ্ট্ৰত ভয়ঙ্কৰ দুৰ্ভিক্ষই দেখা দিয়ে। খোৱা বস্তুৰ অভাৱত মানুহৰ পানীত হাঁহনচৰা বিলৈ দেখি

তিলক থিৰেৰে ৰব নোৱাৰিলে। আকালৰ গৰাহত পৰা মাৰাঠা জাতিক তেওঁ প্ৰাণ দি সেৱা কৰিলে।

আকালৰ পিচত ভূতৰ ওপৰত দানহৰ দৰে প্লেগ মহামাৰীয়ে ৰুদ্ৰ মূৰ্ত্তি ধৰি গোটেই দেশখনকে আগুৰি ধৰিলে। দেশৰ এনে দুৰ্দ্দিনত তিলকৰ মনত শান্তি নোহোৱা হ'ল। পুণাত প্লেগ হওঁতে তেওঁ নিজৰ জীৱন বিপন্ন কৰিও পীড়িতক পৰিচৰ্য্যা কৰিবলৈ ধৰিলে। শিক্ষাৰ কাৰণে তেওঁ যেনেকৈ এদিন স্কুল-কলেজ পাতিছিল, মহামাৰীৰ সময়ত মানুহৰ চিকিৎসাৰ বাবে হাস্পতাল পাতিবলৈয়ো উঠি-পৰি লাগিল। তেতিয়া চৰকাৰৰ ফালৰপৰা আৰ্থিক সহায় আছিল কম। ৰাইজৰ সহায়ৰ ওপৰতে নিৰ্ভৰ কৰি এই অনুষ্ঠানবোৰ গঢ়িবলগীয়া হৈছিল।

তিলকৰ প্ৰজাহিতৈষী কামবোৰত ইংৰাজ চৰকাৰে প্ৰমাদ গণিলে। ১৮৯৭ চনত শিৱাজী উৎসৱৰ পাচতেই তিলকে 'কেশৰী' কাকতত দেশপ্ৰেমমূলক আৰু উদগণিপূৰ্ণ এলানি কবিতা প্ৰকাশ কৰে। এই প্ৰবন্ধ ওলোৱাৰ এসপ্তাহৰ পিচতেই পুণাত দুজন ইংৰাজক হত্যা কৰা হল। 'কেশৰী'ত প্ৰকাশ হোৱা প্ৰবন্ধই এই উত্তেজনাৰ কাৰণ বুলি চৰকাৰে ধৰি ললে। বোম্বাই হাইকোৰ্টৰ বিচাৰত তিলকৰ ওঠৰ মাহ ফাটেক হ'ল। তিলকৰ এই শাস্তি দেখি বহুতো ওখ মনৰ ইংৰাজ ব্যথিত হৈছিল। সংস্কৃতজ্ঞ দাৰ্শনিক পণ্ডিত মোক্ষমূলাৰে মহাৰাণী ভিক্টোৰীয়াক দেখা কৰিলে তিলকৰ মুক্তিৰ কাৰণে। মহাৰাণীয়ে তিলকক মুক্তি দিলে।

ফাটেকত থাকোতে তিলকে বেদৰ মৌলিক গৱেষণা কৰি কিতাপ লেখে। ধৰ্ম্মৰ নতুন সিদ্ধান্ত সেই কিতাপত আছিল। ১৯০৩ চনত ৰাইজে কিতাপ পঢ়িবলৈ পালে—'দি আৰ্টিক হ'ম অৱ্ দি বেদজ্'।

বেদৰ ব্যাখ্যা লেখাৰ পিচত তিলক আকৌ কাৰাগাৰলৈ যাবলগীয়া হ'ল ওঠৰ মাহৰ বাবে। এই কাৰাবাস তেওঁৰ কাৰণে অতি কৰুণ আৰু অপমানজনক আছিল। কিয়নো টকা খোৱাৰ গোচৰত তেওঁক মিছাকৈ অভিযুক্ত কৰা হৈছিল।

ঘটনাটো হ'ল তেওঁৰ সম্পত্তিশালী বন্ধু এজনক লৈ। হঠাতে বন্ধুজন ঢুকুৱাত তেওঁৰ অগাধ সম্পত্তি বিশৃঙ্খল অৱস্থাৰপৰা ভাললৈ অনাৰ ভাৰ তিলকৰ ওপৰতে পৰিল। কিন্তু কিছুমান হিংসাকুৰীয়াই মৃত বন্ধুৰ পত্নীক জনালে যে তিলকে তেওঁৰ সম্পত্তি আত্মসাৎ কৰিছে। ফলত তিলকৰ ওপৰত মকৰ্দ্দমা চলিল আৰু তেওঁ জেললৈ যাবলৈ বাধ্য হ'ল। তিলকৰ ফাটেকত তেওঁৰ বন্ধুসকল দুখীত হৈ আকৌ মকৰ্দ্দমা চলালে। চেচন কৰ্টে তেওঁৰ কাৰাবাস ওঠৰ মাহৰ ঠাইত ছমাহ কৰিলে ; কিন্তু তাতো তিলকৰ বন্ধুসকল সন্তুষ্ট নহ'ল। তেওঁলোকে এই বিষয় লৈ হাইকৰ্টত আপীল কৰে। অৱশেষত ১৯০৪ চনৰ মাৰ্চ্চ মাহত তিলক যে সম্পূৰ্ণ নিৰ্দ্দোষী তাক তেওঁবিলাকে প্ৰমাণ কৰিলে আৰু তিলকৰ মুক্তি হ'ল।

এই মান অপমানৰ সময়ত বেদৰ অধ্যয়ন কৰিয়েই তেওঁ কাল কটালে। লগতে পঢ়িলে ভগৱৎ গীতা। এই গীতা তেওঁৰ শৈশৱৰ লগৰীয়া। গীতাৰ শিক্ষা তেওঁ অন্তৰৰে গ্ৰহণ কৰিছিল। সেইদেখি দুখ বিপদৰ সময়তো তেওঁ স্থিৰ হৈ থাকিব পাৰিছিল। গীতাত শ্ৰীকৃষ্ণৰ মহত্তম বাণী আছে। ফলাফললৈ ভ্ৰূক্ষেপ নকৰি আমি আমাৰ কৰ্ত্তব্য কৰি যাম—এয়ে গীতাৰ আদেশ। তিলকে এই আদেশ কাণপাতি শুনি এশ এটা বিপদ-আপদ নূৰত লৈ নিজৰ কৰ্ত্তব্য স্থিৰ কৰি গৈছিল। গোটেই জীৱনতে তেওঁ গীতাৰ বাণীকে সাৰোগত কৰি লৈছিল।

প্ৰাচীন ধৰ্ম্ম-গ্ৰন্থবোৰৰ মাজেদি তিলকে অতীতৰ ভাৰতবৰ্ষক জল্-জল্ পট্-পট্কৈ দেখা পাইছিল। ধৰ্ম্মই তেতিয়া ভাৰতবাসীক একতাৰ ডোলেৰে বান্ধি ৰাখিছিল। এই একতাক বিংশ শতিকাতো সঞ্জীৱিত কৰাৰ সপোন দেখিছিল তিলকে। সেই দেখিয়েই ধৰ্ম্ম আৰু সমাজ সংস্কাৰ বিষয়ত তেওঁৰ ৰক্ষণশীল মনোভাৱ এটা পৰিলক্ষিত হৈছিল। ভাৰতবাসীৰ মাজত একতা আনিবলৈ তেওঁ সমগ্ৰ ভাৰততে দেৱ-নাগৰী ভাষা প্ৰচলনৰ কথা ভাবিছিল। তদুপৰি ইংৰাজ শাসকসকলে ভাৰতৰ শাসন ভাৰ ভাৰতীয় মানুহৰ হাতত দি যোৱাটোৱেই তেওঁৰ জীৱনৰ একান্ত কামনা আছিল। নিষ্ক্ৰিয়ভাৱেই হওক বা সক্ৰিয়ভাৱেই

হওক, তেওঁ ভাৰতীয় জাতীয় মহাসভা কংগ্ৰেছত এই উদ্দেশ্যেৰেই যোগ দিছিল।

১৯০৮ চনত 'কেশৰী'ৰ জৰীয়তে জন-সমাজত ৰাজনৈতিক চেতনা জগাবলৈ যাওঁতে তিলক আকৌ ৰাজৰোষত পৰিল। হাইকৰ্টৰ বিচাৰত তেওঁৰ ছবছৰ নিৰ্ব্বাসন দণ্ড আৰু এহেজাৰ টকা জৰিমনা হয়। এই বিচাৰত তিলকে নিজেই নিজৰ পক্ষ সমৰ্থন কৰিছিল। তিলকৰ কঠোৰ দণ্ডৰ কথা শুনি সকলোৱে দুখ পালে। ফলত বোম্বাই চহৰত আন্দোলন হ'ল। বনুৱা, দোকানী, পোহাৰী সকলোৱে হৰতাল কৰিলে তিলকৰ মুক্তিৰ কাৰণে। কিন্তু তাৰপৰা একো নহ'ল। দণ্ডৰ আদেশ হোৱাৰ পাচতেই তিলকক ব্ৰহ্মদেশৰ মান্দালয় জেললৈ পঠোৱা হ'ল।

কাৰাবাস খাটিবলৈ তিলকে দুখ নকৰিলে; ভৱিষ্যতৰ মুক্তিৰ বাবেও তেওঁ আশা নকৰিলে, বৰং সাহসী মানুহৰ দৰে বিপদক ভয় নকৰিবলৈ মন স্থিৰ কৰি ললে।

মান্দালয় জেলত থাকোঁতেই তিলকৰ সহধৰ্ম্মিণীও পৰলোক হয়। ইয়াৰ মাজতে 'গীতা ৰহস্য' নামেৰে বিপুল কিতাপ এখন তেওঁ লেখে। কিতাপখন লিখিছিল মাৰাঠী ভাষাত, পিচত বহুত ভাষালৈ তাৰ ভাঙনি হৈছে।

১৯১৪ চনত মুক্তি লাভ কৰি তেওঁ ভাৰতলৈ আহে। ভাৰতলৈ আহি তেওঁ আকৌ 'কেশৰী' আৰু 'মহাৰাষ্ট্ৰা' উলিয়ালে। তেওঁৰ প্ৰবন্ধবিলাকত ইংৰাজৰ প্ৰতি ক্ষমাৰ চিন ফুটি ওলাইছিল। মহামতি গোখেল তেওঁৰ বন্ধু আছিল। যদিও গোখেলৰ মতৰ লগত তেওঁৰ মতৰ মিল নাছিল, তথাপি তেওঁ গোখেলক মহাপ্ৰাণ বুলি কৈ গৈছে। ১৯১৫ চনৰ ফেব্ৰুৱাৰী মাহত গোখেল ঢুকুৱাত তিলকে সমাধি স্থললৈ গৈ অন্ত্যেষ্টি ক্ৰিয়াত আগৰণুৱা হৈ যোগ দিছিল।

১৯১৫ চনত বোম্বাইত বহা কংগ্ৰেছ মহাসভাত আগৰ বিভেদ গুচি-কংগ্ৰেছ এদলীয়া হৈ পৰিল। কংগ্ৰেছত দুয়ো দলৰ পুনৰ্মিলন হোৱাৰ পাচত তিলকে ভাৰতৰ স্বায়ত্ত শাসনৰ বাবে মন দিলে। ১৯১৬ চনৰ মাজ ভাগত তেওঁ নিজৰ মাতৃ ভাষাত নগৰে-চহৰে বক্তৃতা দিবলৈ ধৰিলে। হেজাৰ হেজাৰ

মানুহৰ আগত তেওঁৰ নিজৰ মনৰ কথা বিলাই দিলে। তিলকৰ এই বক্তৃতা দিয়া কথাটোও চৰকাৰে ভাল নেপালে। তেওঁৰ-ওপৰত পুনৰ জৰিমনাৰ আদেশ হৈছিল। শেষত তেওঁ জৰিমনাৰ পৰা ৰক্ষা পালেও পঞ্জাব আৰু দিল্লীলৈ যোৱাৰ অধিকাৰ হেৰুৱালে।

১৯১৭ চনত তিলকৰ ৬১ বছৰীয়া জন্মতিথিত তেওঁক ৰাইজে এখনি অভিনন্দন পত্ৰ আৰু একলাখ টকাৰ মোনা এটা উপহাৰ দিয়ে।

১৯১৯ চনৰ মাৰ্চ্চ মাহত ভাৰতৰ স্বায়ত্ত শাসনৰ দাবী কৰি তেওঁ বিলাতলৈ যাত্ৰা কৰে। কিন্তু পাছপৰ্টৰ কাৰণে অক্টোবৰ মাহলৈকে অপেক্ষা কৰিব লগা হ'ল। তেওঁ বিলাতৰ ডাঙৰ ডাঙৰ নেতাসকলক দেখা কৰিলে। আন কি তেওঁ জেনেভাৰ শান্তি সংঘলৈকো ভাৰতৰ বাবে স্বায়ত্ত শাসন বিচাৰি লেখিছিল।

ডিচেম্বৰ মাহত তিলক ভাৰতলৈ ঘূৰি আহে।

১৯২০ চনৰ কলিকতাত হব লগা জাতীয় মহাসভাৰ বিশেষ অধিবেশনত সভাপতি নিৰ্ব্বাচন কৰা হ'ল তিলকক। কিন্তু তেওঁ সভাত অভিভাষণ পঢ়িব নোৱাৰিলে। তাৰ আগতে জুলাই মাহৰ ২৩ তাৰিখ শনিবাৰে নিশা তেওঁ ঢুকায়। ঢুকাবৰ সময়ত মহাত্মা গান্ধীও তেওঁৰ ওচৰত আছিল। মৃত্যুৰ সময়লৈকে তেওঁ ভগৱৎ গীতাৰ শ্লোক মাতিয়েই ইহধাম পৰিত্যাগ কৰিলে।

বোম্বেৰ সাগৰৰ পাৰত অতি সমাৰোহেৰে তেওঁৰ অন্ত্যেষ্টি ক্ৰিয়া হল। তেওঁক খৰি দিয়া ঠাইত তেওঁৰ মাৰ্ব্বল শিলৰ মূৰ্ত্তি স্থাপিত হয়। এই মূৰ্ত্তি এতিয়াও আছে।

বিদ্বান, জ্ঞানী আৰু অগাধ পণ্ডিত হৈয়ো তিলকে গোটেই জীৱন দুখ আৰু দৰিদ্ৰতাৰ মাজতে কটালে। ভাৰতবৰ্ষক মহান কৰিবৰ বাবেই তেওঁ নিজৰ সময় আৰু শক্তি জাতিৰ সেৱাত অকাতৰে দান কৰি গ'ল।

ৰাজনীতি ভাল পোৱা নাছিল তিলকে : কিন্তু ৰাজনীতিয়েই দেখোন তেওঁক বাৰে বাৰে মেৰাই ধৰিলে। সেইটো কেৱল ভাৰতৰ পূৰ্ণ স্বায়ত্ত শাসনৰ বাবে। তেওঁৰ মুখৰপৰাই

পোন প্ৰথম ওলাইছিল 'স্বৰাজ আমাৰ জন্ম স্বত্ব' এই মহা-বাণীটো।

বলবন্ত গঙ্গাধৰ তিলক ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ দৰে সমাজ সংস্কাৰক আছিল। তেওঁ মানুহৰ ধৰ্ম্ম বোধটো ভিতৰৰপৰা জগাব খুজিছিল। বাহিৰৰপৰা কৃত্ৰিম বোধ দিয়া কথা তেওঁ বিশ্বাস নকৰিছিল। কাকো জোৰকৈ তেওঁ সংস্কাৰ কৰিব নুখুজিছিল। মানুহে যদি নিজৰ দোষ বুজি পায় তেনে মানুহে নিজেই নিজৰ দোষ সংশোধন কৰিব। মানুহৰ মন উন্নত কৰিবৰ কাৰণে শিক্ষাকে তেওঁ ডাঙৰ উপায় বুলি ভাবিলে। গোটেই জীৱনটো তেওঁ শিক্ষাৰ বাবেই কটাই দিলে।

তিলকে নিজকে দেশৰ কামত অৰ্পণ কৰাটো ৰাইজেও ভালকৈ বুজিব পাৰিছিল। তেওঁ যেনেকৈ লেখক আছিল, সেইদৰে বক্তাও আছিল। সৰল মাৰাঠীত আৰু বুজিব পৰা ইংৰাজীত তেওঁ বক্তৃতা দিছিল। তেওঁৰ বক্তৃতা শুনিছিল অশিক্ষিত বনুৱা আৰু কৃষকবোৰে। তিলকে 'হ'মৰুলৰ' কথা সিহঁতৰ মাজত বিলাই দিলে। ৰাইজৰ মাজলৈ আহি তেওঁ সকলোৰে অন্তৰ জয় কৰিব পাৰিলে।

অঙ্ক ভাল পাইছিল তিলকে, সংস্কৃতো ; কিন্তু তাতোকৈ ভাল পাইছিল দেশক —ভাৰতমাতৃক। গভীৰ দেশপ্ৰেমে তেওঁৰ জীৱন-বাট সলনি কৰি দিলে। তেওঁৰ বিৰাট পাণ্ডিত্য প্ৰতিভাক দেশপ্ৰেমে ঢাকি ৰাখিলে। দেশৰ সেৱা কৰাটোৱেই তেওঁৰ ধাই নীতি হৈ পৰিল। তিলক আজি আমাৰ মাজত নাই ; কিন্তু তেওঁৰ মহান আদৰ্শ হলে আছে। আজি আমাৰ দেশৰ যিসকল নেতা, তেওঁবিলাকে তিলকৰপৰা এনেকুৱা আদৰ্শ লাভ কৰিয়েই দেশক ভাল পাবলৈ আৰু দেশক ডাঙৰ কৰিবলৈ অনুপ্ৰেৰণা পালে। সেই দেখিয়েই তিলক আমাৰ মাজত আজিও অমৰ।

# সুভাষচন্দ্ৰ বসু

তোমালোকে নিশ্চয় নেতাজী সুভাষচন্দ্ৰ বসুৰ নাম শুনিবলৈ পাইছা। ভাৰতৰ স্বাধীনতা লাভত যি কেইজন পুৰুষৰ দান সকলোতকৈ বেছি সেই কেইজনৰ ভিতৰতে অন্যতম নেতাজী সুভাষচন্দ্ৰ বসু। কায়-বাক্য-মনেৰে তেওঁ দেশক ভাল পাইছিল আৰু দেশৰ উন্নতিৰ হকে প্ৰাণ উছৰ্গা কৰিছিল। স্বাধীনতা যুজৰ নিস্বাৰ্থ যুজাৰু সুভাষচন্দ্ৰ জ্বলন্ত দেশপ্ৰেমৰ চানেকি। তেওঁৰ সাহস, উৎসাহ, উদ্যম আৰু গভীৰ দেশাত্মবোধে হেজাৰ-বিজাৰ ভাৰতীয় নৰ-নাৰীৰ মন স্বাধীনতা লাভৰ আশাৰে অনুপ্ৰাণিত কৰিছিল আৰু ভাৰতৰ মুক্তি-সংগ্ৰামৰ ইন্ধন যোগাইছিল। সুভাষচন্দ্ৰৰ জীৱনী দুঃসাহসিক দেশপ্ৰেমৰ কথাৰে পৰিপূৰ্ণ।

১৮৯৭ চনৰ ২৩ জানুৱাৰীত কটকত তেওঁৰ জন্ম। দেউতাকৰ নাম আছিল জানকীনাথ বসু। তেওঁ কটকৰে উকীল। সুভাষচন্দ্ৰৰ মাক প্ৰভাৱতী দেৱী। তেওঁ গুণৱতী মহিলা আছিল।

সুভাষচন্দ্ৰৰ শিক্ষা আৰম্ভ হয় কটকতে। ১৯১৩ চনৰ প্ৰৱেশিকা পৰীক্ষাত বিশ্ববিদ্যালয়ত তেওঁ দ্বিতীয় স্থান পায়। ইয়াৰ পাচত উচ্চশিক্ষাৰ কাৰণে তেওঁ কলিকতালৈ আহি প্ৰেছিডেন্সী কলেজত ভৰ্ত্তি হয়। তেতিয়া ইংৰাজ ৰাজত্বৰ পূৰ্ণ পয়োভৰ। আজি আমাৰ দেশত ইংৰাজ লোক ৰবকৈ চকুত নপৰে। কিন্তু সুভাষচন্দ্ৰৰ সময়ত ভাৰতৰ বাটে-পথে স্কুলে-কলেজে, অফিচে-কাছাৰীয়ে সকলোতে ইংৰাজ। তেওঁ পঢ়া কলেজৰ অধ্যাপকো আছিল ইংৰাজ। এওঁলোকৰ দম্ভালি-পূৰ্ণ আচৰণত সুভাষচন্দ্ৰৰ অসহ্য লাগিল। তেওঁৰ শিক্ষাকাল